আমাৰ তিনিটা
ৰ অনিষ্টকাৰী
ৰক্ষা কৰিব
লস্য, বদ
ৰু অভাৱ।
াৰ্শনিক ভল্টেয়াৰ

# দৈনিক জনমভূমি

খ্যক বছৰ ● তিনিচুকীয়া, বিংশতিতম বছৰ, সংখ্যা ১২৫ ● বুধবাৰ ● ২৪ পুহ ● ১৯৪৫ শক ● THE DAINIK JANAMBHUMI ● Tinsukia ● Wednesday ● Ja

# কাৰ্নৈ মহাবিদ্যালয়ৰ সৈতে পশ্চিম বংগৰ দুখন ঐতিহাসিক শিক্ষানুষ্ঠানৰ বুজাবুজি চুক্তি সম্পন্ন



ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ৯ জানুৱাৰী ঃ ঐতিহ্যমণ্ডিত ডি এইচ এছ কাৰ্নৈ মহাবিদ্যালয়ে দুৰ্গাপুৰস্থিত ঐতিহাসিক এন এছ এইচ এম একাডেমি আৰু কলকাতাস্থিত হৰিচৰণ গাৰ্গ চেৰিটেবল ট্ৰাষ্টৰ মাজত ৫ জানুৱাৰীত পৃথকে পৃথকে দুখন বুজাবুজি চুক্তি সম্পন্ন হয়। এন এছ এইচ এম নলেজ কেম্পাছ, কলকাতাত অনুষ্ঠিত অনুষ্ঠানত ডি এইচ এছ কাৰ্নৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, অধ্যাপক ড° জ্যোতি প্ৰসাদ ফুকন, হৰিচৰণ গাৰ্গ চেৰিটেবল ট্ৰাষ্টৰ সঞ্চালক কৃষেণ্ডু সৰকাৰ, হৰিচৰণ গাৰ্গ চেৰিটেবল ট্ৰাষ্টৰ মুৰব্বী গৌতম গাংগুলী, এন এছ এইচ এম একাডেমিৰ উপ-মহাপ্ৰবন্ধক অতিন বেনাৰ্জী, সঞ্চালক ড° অলক সৎসংগীৰ উপস্থিতিত স্বাক্ষৰিত এই বুজাবুজি চুক্তি অনুসৰি তিনি শিক্ষানুষ্ঠানৰ মাজত শৈক্ষিক দিশকে ধৰি ক্ৰীড়া, প্ৰযুক্তি আৰু সাংস্কৃতিক আদি বিভিন্ন দিশত এক নতুন মাত্ৰা লাভ কৰিব। এই চুক্তি অনুসৰি এন এছ এইচ এম একাডেমিয়ে প্ৰদান কৰা আশাজ্যোতি বৃত্তিও কাৰ্নৈ মহাবিদ্যালয়ৰ পৰামৰ্শ অনুসৰি কাৰ্নৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকো প্ৰদান কৰাৰ ব্যৱস্থা কৰা হ'ব। তদুপৰি এই চুক্তিত বিভিন্ন ধৰণৰ গৱেষণামূলক কাম-কাজকে ধৰি ছাত্ৰ-ছাত্ৰীসকলক সময়ে সময়ে বিভিন্ন ধৰণৰ শৈক্ষিক কাৰ্যসূচীত অংশ গ্ৰহণৰ ব্যৱস্থা কৰাৰ লগতে শিক্ষানুষ্ঠানকেইখনৰ চুবুৰীয়া বিভিন্ন সম্প্ৰদায়ৰ মাজত আৰ্থ-সামজিক দিশত সুবিধা হোৱাকৈ বিভিন্ন ধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰা, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধা হোৱাকৈ সময়ে সময়ে প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ কৰা আদি বিষয়ো চুক্তিকেইখনত অন্তৰ্ভুক্ত হৈছে। উল্লেখ্য যে এই বুজাবুজি চুক্তিৰ জৰিয়তে শিক্ষানুষ্ঠান কেইখনৰ মাজত শৈক্ষিক ক্ষেত্ৰকে ধৰি অন্যান্য বহু দিশত একেলগে কাম কৰি যোৱাত বহুখিনি সুবিধা হ'ব বুলি ডি এইচ এছ কাৰ্নৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই জানিবলৈ দিছে।